# প্ৰধানমন্ত্ৰীৰ চেশেলচ,মৰিছাছ আৰু শ্ৰীলংকা ভ্ৰমণ (১০-১৪ মাৰ্চ ২০১৫)

৬ মাৰ্চ ২০১৫

২০১৫ চনৰ প্ৰথমটো বিদেশ ভ্ৰমণ কালত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ১০ মাৰ্চ ২০১৫ তাৰিখৰ পৰা ১৪ মাৰ্চ ২০১৫ তাৰিখলৈ চেশেলচ,মৰিছাছ আৰু শ্ৰীলংকা ভ্ৰমণ কৰিব ।

১১ মাৰ্চত প্ৰধানমন্ত্ৰী চেশেলসে প্ৰেচিডেন্ট জেমচ আলেকচিচ মাইকেলৰ সৈতে আমাৰ সমুদ্ৰ পথৰ সহযোগিতা সুদৃঢ় কৰা আৰু উন্নয়নমুলক সহয়োগিতা বৃদ্ধিৰ লক্ষ্যৰে দ্বিপাক্ষীক বৈঠক কৰিব ।

১১ মাৰ্চ ২০১৫ ৰ পৰা ১২ মাৰ্চ ২০১৫ তাৰিখলৈ প্ৰধানমন্ত্ৰী মৰিছাছত আমাৰ দুয়োদেশৰ মাজত পৰিলক্ষিত হোৱা বিশেষ আৰু অন্যান্য বৈশিষ্ট্যৰ সম্পৰ্ক সম্প্ৰসাৰণৰ বাবে প্ৰধানমন্ত্ৰী চাৰ এনেৰোড জুগনোথৰ সৈতে বিশদভাৱে আলোচনা কৰিব আৰু ৰাষ্ট্ৰীয় দিৱস অনুষ্ঠানৰ মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰিব ।

১৩ মাৰ্চৰ পৰা ১৪ মাৰ্চ তাৰিখলৈ প্ৰধানমন্ত্ৰী শ্ৰীলংকাত ৰাষ্ট্ৰপতি মৈত্ৰীপালা চিৰিচেনাৰ সৈতে বৈঠকত মিলিত হব আৰু সেই দশৰ বিস্তাৰিত ৰাজনৈতিক দল সমুহৰ শীৰ্ষ নেতৃত্বৰ সৈতে আলোচনা মিলিত হব ।

এই বৈঠকত সৰ্ব্বোচ্চ ৰাজনৈতিক নেতৃত্বৰ সৈতে নিবিৰ সম্পৰ্ক স্থাপনৰ সুযোগৰ প্ৰস্তুতি কৰা হব আৰু অভিন্ন স্বাৰ্থৰ প্ৰধান বিষয়সমুহৰ পাৰস্পৰিক সহযোগিতা আৰু বুজাপৰা বিস্তাৰিত  কৰাৰ সম্পৰ্কে আলোচনা কৰা হব ।

সমুদ্ৰ উপকূলবৰ্তী চুবুৰীয়া বন্ধু দেশসমুহলৈ প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ ভাৰত মহাসাগৰ অঞ্চলত সম্পৰ্ক বৃদ্ধিৰ পৰিচায়ক ।

নতুন দিল্লী

৬ মাৰ্চ ২০১৫